**27T HIST**

# 2017

# HISTORY

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

| | |
|---|---|
| *Q. No.* **1** *carries* **1** *mark each* | 1×12 = 12 |
| *Q. No.* **2** *carries* **2** *marks each* | 2×12 = 24 |
| *Q. No.* **3** *carries* **5** *marks each* | 5×8 = 40 |
| *Q. No.* **4** *carries* **6** *marks each* | 6×3 = 18 |
| *Q. No.* **5** *carries* **6** *marks each* | 6×1 = 6 |
| | Total = 100 |

1. Answer the following questions : 1×12=12

তলত দিয়া প্ৰশ্ন সমূহৰ উত্তৰ দিয়া ঃ

(a) Who first deciphered Brahmi and Kharosthi Scripts ?

ব্ৰাহ্মী আৰু খৰোষ্ঠি আখৰৰ পাঠ উদ্ধাৰ কোনে প্ৰথমে কৰে?

(b) What was *Kutagarashala* ?

'কুতাগৰশালা' কি আছিল?

(c) By which name Assam was known in ancient times ?

প্ৰাচীন কালত অসমক কি নামেৰে জনা গৈছিল?

(d) Where did peasant revolt first take place in Assam ?

অসমৰ ক'ত প্ৰথমে কৃষক বিদ্ৰোহ হৈছিল?

(e) Who is the writer of the 'Rihla' ?

'ৰিহ্‌লা'ৰ লেখক কোন?

(f) Where was Guru Nanak born ?

গুৰু নানকৰ জন্ম ক'ত হৈছিল?

(g) What was *Milkiyat* ?

'মিলকিয়াত' কি আছিল?

(h) Who wrote the *Humayun Nama* ?

'হুমায়ুন নামা' কোনে ৰচনা কৰিছিল?

(i) What was *Damin-i-koh* ?

'ডামি-ই-কোহ' কি আছিল?

(j) When was the first all-India Census carried out ?

ভাৰতবৰ্ষত কেতিয়া প্ৰথমে লোকগণনা কৰা হৈছিল?

(k) Who represented the Congress in the Second Round Table Conference ?

দ্বিতীয় ঘূৰণীয়া মেজমেলত কংগ্ৰেছক কোনে প্ৰতিনিধিত্ব কৰিছিল?



(l) Who was the Chairman of the Drafting Committee of the Indian Constitution ?

ভাৰতীয় সংবিধানৰ খচৰা প্ৰস্তুত সমিতিৰ সভাপতি কোন আছিল?

2. Answer the following questions in brief : 2×12=24

তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া ঃ

(a) Mention *any two* characteristics of the Harappan civilization.

হৰপ্পীয় সভ্যতাৰ *যিকোনো দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

(b) Write *any two* duties fixed by the *Manusmriti* for the Chandalas.

চণ্ডালসকলৰবাবে 'মনুস্মৃতি'য়ে নিৰ্ধাৰণ কৰা *যিকোনো দুটা* কৰ্তব্য লিখা।

(c) What was the original name of Ajan Pir ? Why is he known as Ajan Pir ?

আজান পীৰৰ আচল নাম কি আছিল? তেওঁক আজান পীৰ নামেৰে কিয় জনা যায়?

(d) What do you understand by the Innerline Regulation Act of 1873 ?

১৮৭৩ চনৰ অন্তৰ্বৰ্ত্তী সীমা নিয়ন্ত্ৰণ আইন বুলিলে কি বুজা?

(e) What were the technologies used in medieval India to increase agricultural production ?

মধ্যযুগীয় ভাৰতত কৃষি উৎপাদন বৃদ্ধিৰ বাবে কি কি প্ৰযুক্তি ব্যৱহাৰ কৰিছিল?

(f) What do you mean by *saguna* and *nirguna* categories of the Bhakti traditions ?

ভক্তিমাৰ্গৰ 'স-গুণ' আৰু 'নিৰ্গুণ' ধাৰা বুলিলে কি বুজা?

(g) Who first discovered Hampi and when ?

হাম্পী প্ৰথমে কোনে আৰু কেতিয়া আৱিষ্কাৰ কৰে?

(h) Why did Abu'l Fazl describe painting as 'magical art' ?

আবুল ফজলে চিত্ৰক কিয় 'ভেল্কিবাজি কলা' বুলি কৈছিল?

(i) Name the *two* leaders of the Khilafat Movement.

খিলাফৎ আন্দোলনৰ নেতাদ্বয়ৰ নাম লিখা।

(j) Why did Gandhiji consider Hindustani to be the national language of India ?

মহাত্মা গান্ধীয়ে হিন্দুস্থানী ভাৰতৰ জাতীয় ভাষা হ'ব লাগে বুলি কিয় বিবেচনা কৰিছিল?

(k) What were *qasbah* and *ganj* ?

'কাচবাহ' আৰু 'গঞ্জ' কি আছিল?

(l) Why was Gandhiji's Salt March important in the Indian National Movement ?

ভাৰতীয় জাতীয় আন্দোলনত গান্ধীজীৰ লোণ যাত্ৰা কিয় গুৰুত্বপূৰ্ণ আছিল?

3. Answer the following questions : ***(any eight)*** 5×8=40

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা ঃ ***(যিকোনো আঠটা)***

(a) Mention the causes of the rise of Magadha.

মগধৰ উত্থানৰ কাৰণবোৰ উল্লেখ কৰা।

(b) Write a note on the economic condition of Ancient Assam.

প্ৰাচীন অসমৰ অৰ্থনৈতিক অৱস্থাৰ *এটি* টোকা লিখা।

(c) Give a brief description of the administrative system of the Ahoms.

আহোমসকলৰ শাসন ব্যৱস্থাৰ *এটি* চমু বৰ্ণনা দিয়া।

(d) Who was Al-Biruni ? What did he say about the caste system in India ? 1+4=5

অল-বিৰুণী কোন আছিল? ভাৰতৰ জাতিভেদ প্ৰথা সম্পৰ্কে তেওঁ কি কৈ গৈছে?

(e) Who were the *amara-nayakas* ? What role did they play in the Vijayanagara empire ? 1+5=5

অমৰা-নায়কসকল কোন? বিজয়নগৰ সাম্ৰাজ্যত তেওঁলোকে কি ভূমিকা পালন কৰিছিল?



(f) Write a note on the nobility of the Mughals.

মোগলৰ ডাঙৰীয়া শ্ৰেণীটোৰ বিষয়ে *এটি* টোকা লিখা।

(g) What was Permanent Settlement ? Why did the Zamindars fail to meet the revenue demand ? 2+3=5

চিৰস্থায়ী বন্দৱস্ত কি আছিল? জমিদাৰসকল নিৰ্ধাৰিত খাজনা জমা দিয়াত কিয় ব্যৰ্থ হৈছিল?

(h) What were the measures adopted by the British to suppress the Revolt of 1857 ?

১৮৫৭ চনৰ বিদ্ৰোহ দমন কৰিবলৈ বৃটিছে কি কি ব্যৱস্থা লৈছিল?

(i) What is communalism ? Mention the causes which contributed to the growth of communalism in India. 2+3=5

সাম্প্ৰদায়িকতাবাদ কি? ভাৰতত সাম্প্ৰদায়িকতাবাদে গা-কৰি উঠাৰ কাৰণবোৰ উল্লেখ কৰা।

(j) What do you mean by Oral source ? How does it help in writing the history of the partition of India ? 1+4=5

মৌখিক উৎস বুলিলে কি বুজা? ভাৰত বিভাজনৰ বুৰঞ্জী প্ৰণয়নত এই উৎসই কেনেদৰে সহায় কৰে?

4. Read the given passages carefully and the questions that follow :

তলৰ পাঠ্যাংশবোৰ ভালদৰে পঢ়া আৰু প্ৰশ্নবোৰৰ উত্তৰ দিয়া ঃ

(a) **How artefacts are identified**

Processing of food required grinding equipment as well as vessels for mixing, blending and cooking. These were made of stone, metal and terracotta. This is an excerpt from one of the earliest reports on excavations at Mohenjodaro, the best-known Harappan site :

Saddle querns ... are found in considerable numbers ... and

they seem to have been the only means in use for grinding cereals. As a rule, they were roughly made of hard, gritty, igneous rock or sandstone and mostly show signs of hard usage. As their bases are usually convex, they must have been set in the earth or in mud to prevent their rocking. Two main types have been found : those on which another smaller stone was pushed or rolled to and fro, and others with which a second stone was used as a pounder, eventually making a large cavity in the nether stone. Querns of the former type were probably used solely for grain; the second type possibly only for pounding herbs and spices for making curries. In fact, stones of this latter type are dubbed "curry stones" by our workmen and our cook asked for the loan of one from the museum for use in the kitchen.

FROM ERNEST MACKAY, *Further Excavations at Mohenjodaro,* 1937.

Questions :

*(i)* What was the equipment used for grinding cereals ? 1

*(ii)* What were the materials used for making grinding equipment ? 2

*(iii)* What were the types of grinding equipment ? How were they used ? 1+2=3

দৈনন্দিন জীৱনত ব্যৱহৃত হস্তনির্মিত সা-সঁজুলিবোৰ কিদৰে চিনাক্ত কৰা হয়

খাদ্য প্ৰস্তুতকৰণ প্ৰণালীৰ প্ৰাথমিক কাৰ্যবিধিৰ বাবে খুন্দনা তথা গুৰি কথা সঁজুলিৰ লগতে বাৰে-মিহলি সংমিশ্ৰণ, মিশ্ৰিতকৰণ আৰু ৰন্ধনৰ বাবে পাত্ৰৰ প্ৰয়োজন। হৰপ্পাত শিল, ধাতু আৰু পোৰা মাটিৰে এনে সঁজুলি আৰু পাত্ৰ সজা হৈছিল। এই সংক্ৰান্তত হৰপ্পীয় সভ্যতাৰ আটাইতকৈ জনা-শুনা ঠাই মহেনজোদাৰোত সংঘটিত খনন কাৰ্য সম্বন্ধীয় এক বিৱৰণীৰ উদ্ধৃতি তলত সন্নিৱিষ্ট কৰা হৈছে —



... বহু সংখ্যক জাঁতৰ আৱিষ্কাৰে এইটোৱেই সূচায় যে বীজ শস্য গুৰি কৰিবলৈ এইবিধেই আছিল একমাত্ৰ সঁজুলি। নিয়মানুসৰি এইবোৰ নিৰ্মিত হৈছিল কঠিন, অমসৃন আগ্নেয় শিল (গলিত লাভা গোট মাৰি হোৱা শিল) বা জলীয় শিলৰ দ্বাৰা। জাঁতবোৰ সজোৰে আৰু ৰূঢ়ভাবে ব্যৱহৃত হোৱাৰ স্পষ্ট ইঙ্গিত পোৱা গৈছিল। সাধাৰণতে, জাঁতবোৰ দুৰাপিঠীয়া হোৱা বাবে ইয়াৰ হেন্দোলনি বন্ধ কৰিবলৈ নিশ্চয় মাটি বা বোকাত ইয়াক দৃঢ়ভাৱে স্থাপন কৰি লোৱা হৈছিল। জাঁতবোৰ আছিল প্ৰধানতঃ দুই প্ৰকাৰৰ — কিছুমানত আন এটা ক্ষুদ্ৰাকৃতিৰ শিল অগা-পিছাকৈ থেলি আৰু বগৰাই বগৰাই বস্তু পিহা হৈছিল আৰু আনটো ক্ষেত্ৰত বস্তু থেতেলা বা গুৰি কৰিবলৈ দ্বিতীয় এটা শিল ব্যৱহাৰ কৰিছিল। ইয়াৰ ফলত জাঁতৰ নিম্ন ভাগৰ ভূ-পৃষ্ঠত সৃষ্টি হৈছিল এটা ডাঙৰ গাঁত। প্ৰথমবিধ জাঁত সম্ভৱতঃ কেৱল বীজশস্যৰ বাবে ব্যৱহৃত হৈছিল আৰু দ্বিতীয় বিধৰ ব্যৱহাৰ আছিল বনৌষধি বা শাকপাত থেতালিবলৈ বা ৰন্ধা-বঢ়াৰ বাবে মচলা আদি পিহাতেই সীমাৱদ্ধ। দৰাচলতে, দ্বিতীয়বিধ জাঁতত ব্যৱহাৰ কৰা শিল টুকুৰাক আমাৰ বনুৱাসকলে 'আঞ্জাৰ মচলা গুড়ি কৰা শিল' নাম দিছিল আৰু ৰান্ধনিয়ে ইয়াক যাদুঘৰৰ পৰা ধাৰে নি ৰান্ধনি ঘৰত ব্যৱহাৰ কৰিবলৈ কুতুৰিছিলহি।

*আৰ্নেষ্ট মেকেৰ 'Further Excavations at Mohenjodaro'*
*'ফাৰ্ডাৰ এক্সাভেছন্চ, এট মহেনজোদাৰো' পুথিৰ পৰা উদ্ধৃত*

প্ৰশ্নসমূহ ঃ

*(i)* শস্যৰ বীজ গুড়ি কৰিবলৈ কি সজুঁলি ব্যৱহাৰ কৰিছিল? 1

*(ii)* শস্য গুড়ি কৰা সজুঁলি প্ৰস্তুত কৰিবলৈ কি ব্যৱহাৰ কৰিছিল? 2

*(iii)* শস্য গুড়ি কৰা সজুঁলি কি কি প্ৰকাৰৰ? এইবোৰ কেনেকৈ ব্যৱহাৰ কৰা হৈছিল? 1+2=3

***Or / অথবা***

*(a)* **How could men and women acquire wealth ?**

For men, the *Manusmriti* declares, there are seven means of acquiring wealth : inheritance, finding, purchase, conquest, investment, work, and acceptance of gifts from good people.

For women, there are six means of acquiring wealth : what

was given in front of the fire (marriage) or the bridal procession, or as a token of affection, and what she got from her brother, mother or father. She could also acquire wealth through any subsequent gift and whatever her "affectionate" husband might give her.

Questions :

(i) What were the means of acquiring wealth for men and women ? 4

(ii) Do you think that the means of acquiring wealth differentiated men and women ? If so, how ? 2

**পুৰুষ আৰু মহিলাই কিদৰে সম্পদ আহৰণ কৰিব পাৰে?**

মনুস্মৃতিয়ে পুৰুষসকলৰ উপাৰ্জনৰ ক্ষেত্ৰত মুঠতে যি সাতটা উপায় ঘোষণা কৰিছে, সেইকেইটি হ'ল ঃ উত্তৰাধিকাৰ সুত্ৰে, বিচাৰি তথা অনুসন্ধান কৰি উলিওৱা, ক্ৰয়, বিজয়, কোনো কামত ধন খটোৱা, কৰ্ম আৰু সজ্জনৰ পৰা উপহাৰ গ্ৰহণ।

নাৰীৰ ক্ষেত্ৰত এনে মুঠ ছয়টা উপায়ৰ অন্যতম হ'ল ঃ (বিবাহৰ সময়ত) অগ্নিক সাক্ষী কৰি আগবঢ়োৱা সম্পদ, শোভাযাত্ৰা কৰি কইনা অনাৰ সময়ত নাইবা মৰম-চেনেহেৰে দিয়া বিভিন্ন উপহাৰ, পিতৃ-মাতৃ আৰু ভাতৃৰ পৰা প্ৰাপ্ত ধন-সোণ আদি। ইয়াৰ উপৰি (বিবাহৰ পাছত) প্ৰাপ্ত উপহাৰ আৰু 'মৰমিয়াল' স্বামীয়ে যি দিয়ে সকলোবোৰ নাৰীৰ সম্পদ বুলি ধৰা হয়।

প্ৰশ্নসমূহ ঃ

(i) পুৰুষ আৰু মহিলাই কি কি উপায়েৰে সম্পদ আহৰণ কৰিব পাৰিছিল? 4

(ii) সম্পদ আহৰণৰ উপায়বোৰে পুৰুষ আৰু মহিলাক পৃথক কৰিছে বুলি তুমি ভাবানে? যদি ভাবা, কেনেকৈ? 2



(b) **'Great' and 'little' traditions**

The terms great and little traditions were coined by a sociologist named Robert Redfield in the twentieth century to describe the cultural practices of peasant societies. He found that peasants observed rituals and customs that emanated from dominant social categories, including priests and rulers. These he classified as part of a great tradition. At the same time, peasants also followed local practices that did not necessarily correspond with those of the great tradition. These he included within the category of little tradition. He also noticed that both great and little traditions changed over time, through a process of interaction.

While scholars accept the significance of these categories and processes, they are often uncomfortable with the hierarchy suggested by the terms great and little. The use of quotation marks for "great" and "little" is one way of indicating this.

Questions :

(i) Who coined the terms 'great' and 'little' tradition and why ? 2

(ii) What do 'great' and 'little' tradition mean ? 3

(iii) How do these traditions change ? 1

**মুখ্য আৰু ক্ষুদ্ৰ পৰম্পৰা**

মুখ্য আৰু ক্ষুদ্ৰ পৰম্পৰা শব্দ কেইটা কৃষিজীৱী সমাজৰ সাংস্কৃতিক পৰম্পৰাৰ অধ্যয়নৰ ক্ষেত্ৰত উনবিংশ শতিকাত ৰবাৰ্ট ৰেডফিল্ড নামৰ সমাজবিজ্ঞানী এজনে উদ্ভাৱন কৰিছিল। তেওঁ লক্ষ্য কৰিছিল যে কৃষকসকলে পালন কৰা পূজা-অৰ্চনা আৰু ৰীতি-নিয়ম বিলাক সমাজৰ আধিপত্যবাদী শ্ৰেণী বিশেষকৈ পুৰোহিত আৰু শাসকসকলে অনুসৰণ কৰা ঐতিহ্য-পৰম্পৰাৰ পৰা অনুসৃত হৈছিল। সেইবিলাককে তেওঁ মুখ্য বা বৃহৎ পৰম্পৰাৰূপে শ্ৰেণীভুক্ত কৰিছিল। সেই একে সময়তে অৱশ্যে কৃষকসকলে অঞ্চলভেদে পোৱা আৰু মুখ্য পৰম্পৰাৰ বিপৰীত অন্য কিছুমান আঞ্চলিক ৰীতি-নীতি, আচাৰ-অনুষ্ঠানো পালন কৰিছিল। সেইবিলাককে তেওঁ ক্ষুদ্ৰ পৰম্পৰাৰ অন্তৰ্ভুক্ত কৰিছিল। তেওঁ লগতে লক্ষ্য

কৰিছিল যে সময় অতিবাহিত হোৱাৰ লগে লগে আৰু পাৰস্পৰিক সম্পৰ্কৰ পৰিণতি স্বৰূপে মুখ্য আৰু ক্ষুদ্ৰ উভয় ঐতিহ্য-পৰম্পৰাৰে কিছু পৰিবৰ্তন সাধিত হৈছিল।

পণ্ডিতসকলে ঐতিহ্য-পৰম্পৰাৰ উক্ত শ্ৰেণী বিভাজন আৰু প্ৰক্ৰিয়াৰ কথাটো মানি ল'লেও তেওঁলোকে এই ক্ষেত্ৰত মুখ্য আৰু ক্ষুদ্ৰ শব্দ কেইটা সম্পৰ্কত সন্তুষ্টি প্ৰকাশ কৰিব পৰা নাই। সেয়ে এই অসন্তুষ্টিৰ কথা বুজাবলৈকে "মুখ্য" আৰু "ক্ষুদ্ৰ" শব্দ কেইটা উৰ্দ্ধ কমাৰ ভিতৰত দেখুওৱা হৈছে।

প্ৰশ্নসমূহ ঃ

(i) 'মুখ্য' আৰু 'ক্ষুদ্ৰ' পৰম্পৰা অভিধাৰণা কেইটা কোনে আৰু কিয় উদ্ভাৱন কৰে? 2

(ii) 'মুখ্য' আৰু 'ক্ষুদ্ৰ' পৰম্পৰাই কি বুজায়? 3

(iii) এই পৰম্পৰাবোৰৰ কেনেদৰে পৰিবৰ্তন হয়? 1

***Or / অথবা***

(b) **Cash or Kind**

**The *Ain* on land revenue collection :**

Let him (the *amil-guzar*) not make it a practice of taking only in cash but also in kind. The latter is effected in several ways. First, *kankut* : in the Hindi language *kan* signifies grain, and *kut*, estimates ... If any doubts arise, the crops should be cut and estimated in three lots, the good, the middling, and the inferior, and the hesitation removed. Often, too, the land taken by appraisement, gives a sufficiently accurate return. Secondly, *batai*, also called *bhaoli*, the crops are reaped and stacked and divided by agreement in the presence of the parties. But in this case several intelligent inspectors are required; otherwise, the evil-minded and false are given to deception. Thirdly, *khet-batai*, when they divide the fields after they are sown. Fourthly, *lang batai*, after cutting the grain, they form it in heaps and divide it among themselves, and each takes his share home and turns it to profit.



Questions :

(i) Who were the *amil-guzars* ? 1

(ii) What was the medium of land revenue collection ? 1

(iii) What were the methods of collecting land revenue in kind ? 4

**ভূমিৰ খাজনা ঃ টকা নে শস্যৰ মাধ্যমত?**

**ভূমি ৰাজস্ব সংগ্ৰহৰ বিষয়ে আইন-ই আকবৰী ঃ**

আমিল-গুজাৰ সকলক অকল টকাৰ মাধ্যমতেই খাজনা সংগ্ৰহ নকৰি লগতে শস্যৰ মাধ্যমতো খাজনা সংগ্ৰহ কৰাৰ ব্যৱস্থাটো চালু ৰাখিবলৈ কোৱা হৈছে। পিছৰ বিধ খাজনা বিভিন্ন উপায়েৰে সংগ্ৰহ কৰা হৈছিল। প্ৰথমতে কানকুত, হিন্দীত কানৰ অৰ্থ হ'ল শস্য আৰু কুতৰ অৰ্থ পৰিমাণ নিৰূপণ কৰা...। এই ক্ষেত্ৰত কিবা সন্দেহৰ অৱকাশ থাকিলে শস্য চপাই তাক তিনিটা ভাগত ভাগ কৰা হয় — ভাল, মধ্যম আৰু নিকৃষ্ট। এই বিভাজনৰ দ্বাৰা সন্দেহ দূৰ কৰা হয়। মাজে সময়ে আকৌ ভূমিৰ বেছ বা মূল্য নিৰূপণ কৰিও সেইটো কৰা হয়, এই ব্যৱস্থাই সঠিক খাজনা পোৱাত সহায় কৰে। দ্বিতীয়টো হল বাতাই বা ভাওলী, শস্য চপোৱাৰ পিছত সেইবোৰ মজুত কৰি ৰাখি তাক চুক্তিমতে অংশীদাৰৰ মাজত তেওঁলোকৰ উপস্থিতিতে ভাগ কৰা হয়। এই ক্ষেত্ৰত অৱশ্যে কেবাজনো চতুৰ পৰিদৰ্শকৰ প্ৰয়োজন হয়, অন্যথা অসৎ প্ৰবৃত্তিৰ আৰু ভুৱা লোকে প্ৰতাৰণা কৰাৰ অৱকাশ থাকে। তৃতীয়তে, খেত-বাতাই, ইয়াত শস্যৰ বীজ সিঁচাৰ পিছত শস্য ক্ষেত্ৰ বিভাজন কৰা হয়। চতুৰ্থতে, লাং-বাতাই, ইয়াত শস্য কটাৰ পিছত দম কৰি থয় আৰু পিছত তেওঁলোকৰ মাজত ভাগ কৰি লয়। তেনেদৰে ভাগ-বাটোৱাৰা কৰাৰ পিছত প্ৰতিজনে নিজৰ অংশটো লাভ ৰূপে ঘৰলৈ নিয়ে।

প্ৰশ্নসমূহ ঃ

(i) আমিল-গুজাৰসকল কোন? 1

(ii) ভূমি ৰাজহ কি মাধ্যমত সংগ্ৰহ কৰা হৈছিল? 1

(iii) কি কি পদ্ধতিৰ শস্যৰে ভূমি ৰাজহ সংগ্ৰহ কৰা হৈছিল? 4

(c) **What maps reveal and conceal**

The development of survey methods, accurate scientific instruments and British imperial needs meant that maps were prepared with great care. The Survey of India was established in 1878. While the maps that were prepared give us a lot of information, they also reflect the bias of the British rulers. Large settlements of the poor in towns went unmarked on maps because they seemed unimportant to the rulers. As a result it was assumed that these blank spaces on the map were available for other development schemes. When these schemes were undertaken, the poor were evicted.

Questions :

(i) When was the Department of Survey of India established ? 1

(ii) To which source do the survey reports and maps belong ? 1

(iii) How do the maps prepared by the British reflect their biasness ? 4

**মানচিত্ৰবোৰে কি দেখুৱাইছিল আৰু কি লুকুৱাইছিল**

গণনা পদ্ধতিৰ বিকাশ, নিখুঁট বৈজ্ঞানিক সা-সৰঞ্জাম আৰু বৃটিশৰ সাম্ৰাজ্যবাদী স্বাৰ্থই বুজাই দিছিল যে মানচিত্ৰবোৰ অতি যত্নসহকাৰে প্ৰস্তুতকৰা হৈছিল। বৃটিশ চৰকাৰে ভাৰতীয় জৰীপ বিভাগ প্ৰতিষ্ঠা কৰিছিল ১৮৭৮ খৃঃত এই বিভাগে প্ৰস্তুত কৰা মানচিত্ৰবোৰে বহুতো প্ৰয়োজনীয় তথ্যপাতি যোগান ধৰাৰ লগতে বৃটিশ শাসকসকলৰ পক্ষপাতিত্বও প্ৰতিফলিত কৰিছিল।

নগৰবোৰৰ দৰিদ্ৰ জনতাৰ বিশাল বসতিবোৰক এনে মানচিত্ৰবিলাকত চিহ্নিত কৰা নহৈছিল, কিয়নো শাসকসকলৰ দৃষ্টিত এইবোৰৰ কোনো গুৰুত্ব নাছিল। ইয়াৰ ফলত এই কথা ধৰি লোৱা হৈছিল যে মানচিত্ৰৰ এই খালী ঠাইবোৰ অন্যান্য বিকাশমূলক আঁচনি ৰূপায়ণৰ বাবেই এৰি থোৱা হৈছিল। যেতিয়াই এনে উন্নয়নমূলক আঁচনি হাতত লোৱা হৈছিল, তেতিয়াই দৰিদ্ৰ লোকসকলক তাৰপৰা উচ্ছেদ কৰা হৈছিল।

প্ৰশ্নসমূহ ঃ

(i) ভাৰতত জৰীপ বিভাগ কেতিয়া স্থাপন কৰা হৈছিল? 1

(ii) জৰীপ প্ৰতিবেদন আৰু মানচিত্ৰবোৰ কি উৎসৰ অন্তৰ্গত? 1

(iii) বৃটিছে প্ৰস্তুত কৰা মানচিত্ৰবোৰে কেনেদৰে তেওঁলোকৰ পক্ষপাতিত্ব প্ৰতিফলিত কৰে? 4

***Or / অথবা***

(c) **"The real minorities are the masses of this country"**

Welcoming the Objectives Resolution introduced by Jawaharlal Nehru, N.G. Ranga said :

Sir, there is a lot of talk about minorities. Who are the real minorities ? Not the Hindus in the so-called Pakistan provinces, not the Sikhs, not even the Muslims. No, the real minorities are the masses of this country. These people are so depressed and oppressed and suppressed till now that they are not able to take advantage of the ordinary civil rights. What is the position ? You go to the tribal areas. According to law, their own traditional law, their tribal law, their lands cannot be alienated. Yet our merchants go there, and in the so-called free market they are able to snatch their lands. Thus, even though the law goes against this snatching away of their lands, still the merchants are able to turn the tribal people into veritable slaves by various kinds of bonds, and make them hereditary bond-slaves. Let us go to the ordinary villagers. There goes the money-lender with his money and he is able to get the villagers in his pocket. There is the landlord

himself, the zamindar, and the *malguzar* and there are the various other people who are able to exploit these poor villagers. There is no elementary education even among these people. These are the real minorities that need protection and assurances of protection. In order to give them the necessary protection, we will need much more than this Resolution ...

*CAD*, VOL.II

Questions :

(i) Who are according to N.G. Ranga the real minorities ? 1

(ii) Why are they the real minorities ? 3

(iii) Why do they need protection ? 2

প্ৰকৃত সংখ্যালঘুসকল এইখন দেশৰ জনসাধাৰণ

জৱাহৰলাল নেহেৰুৱে উত্থাপন কৰা উদ্দেশ্যমূলক প্ৰস্তাৱটোক আদৰণি জনাই এন.জি. ৰাঙ্গাই কৈছিল

"ছাৰ, সংখ্যালঘুৰ বিষয়ে বহুতো কথা-বতৰা হ'ল। প্ৰকৃত সংখ্যালঘু কোন? তথাকথিত পাকিস্থান প্ৰদেশৰ হিন্দুসকল, শিখসকল আনকি মুছলীমসকলো নহয়, প্ৰকৃত সংখ্যালঘুসকল হ'ল দেশখনৰ জনসাধাৰণ। এই মানুহখিনি এতিয়ালৈকে অৱহেলিত আৰু নিষ্পেষিত আৰু অৱদমিত লোক। সেইবাবে সাধাৰণ সামাজিক অধিকাৰৰ সুবিধাখিনিও গ্ৰহণ কৰিবলৈ সমৰ্থ নহয়, অৱস্থাটো কেনেকুৱা? তুমি জনজাতি অঞ্চললৈ যোৱা — আইনমতে, তেওঁলোকৰ নিজ পৰম্পৰাগত নিয়ম-কানুন, তেওঁলোকৰ জনজাতীয় আইনমতে তেওঁলোকৰ মাটি তেওঁলোকৰ পৰা বিচ্ছিন্ন কৰি নিব নোৱাৰে। তথাপি আমাৰ সদাগৰসকল এই জনজাতি এলেকাসমূহলৈ গৈ মুকলি বজাৰৰ নামত তেওঁলোকৰ মাটি কাঢ়ি লয়। এইদৰে যদিও তেওঁলোকৰ মাটি কাঢ়ি লোৱাটো আইনবিৰোধী, তথাপিও বেপাৰীসকলে জনজাতীয় লোকসকলক বিভিন্ন প্ৰকাৰৰ চুক্তিপত্ৰৰ যোগেদি বেলেগ বেলেগ ধৰণৰ দাস হিচাবে ব্যৱহাৰ কৰি আছে আৰু এইটো বংশানুক্ৰম চুক্তিবদ্ধ দাসত্বলৈ



ৰূপান্তৰিত কৰিছে। এতিয়া আমি সাধাৰণ গাঁওবাসীৰ ওচৰলৈ যাওঁ-তালৈ টকা ধাৰে দিয়া লোকসকলে জেপত টকা লৈ যায় আৰু গাওঁবাসীসকলক তেওঁলোকৰ জেপৰ ভিতৰত ৰাখিবলৈ সক্ষম হয়। তাত স্বয়ম্ভু মাটিৰ মালিক, জমিদাৰ আৰু মালগুজাৰৰ লগতে বেলেগ বেলেগ প্ৰকাৰৰ লোকসকল আছে, যিসকলে এই দুখীয়া গাওঁবাসীক শোষণ কৰিবলৈ সমৰ্থ হৈছে। তাতে এই মানুহবিলাকৰ আনকি প্ৰাথমিক শিক্ষাও নাই। এওঁলোকেই প্ৰকৃত সংখ্যালঘু যিসকলক সুৰক্ষা আৰু সুৰক্ষাৰ বাবে আশ্বাসৰ দৰকাৰ। তেওঁলোকক আৱশ্যকীয় সুৰক্ষা দিবৰ কাৰণে আমাৰ এই প্ৰস্তাৱটোতকৈ বহুত বেছি কৰ্মপন্থাৰ দৰকাৰ।"

*CAD*, VOL.II

প্ৰশ্নসমূহ ঃ

(i) এন.জি. ৰাংগাৰ মতে প্ৰকৃত সংখ্যালঘু কোন? 1

(ii) তেওঁলোক কিয় প্ৰকৃত সংখ্যালঘু? 3

(iii) তেওঁলোকক কিয় সুৰক্ষাৰ প্ৰয়োজন? 2

5. Draw a map of India and mark the following places ? 3+3=6

Pataliputra, Agra, Amritsar, Chennai, Kolkata and Garhgaon.

ভাৰতবৰ্ষৰ এখন মানচিত্ৰ আঁকি তলত দিয়া ঠাইবোৰ দেখুওৱা ঃ

পাটলিপুত্ৰ, আগ্ৰা, অমৃতসৰ, চেন্নাই, কোলকাটা আৰু গড়গাঁও।

***Or / অথবা***

Write a note on the Revolt of 1857 in Assam. 6

অসমত ১৮৫৭ চনৰ বিদ্ৰোহ সম্পৰ্কে *এটি* টোকা লিখা।

———×———